Total No. of Printed Pages—3

**1 SEM FYUGP ASMC1**

# 2023

( December )

## ASSAMESE

( Core )

Paper : ASMC1

**( অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস )**

*Full Marks* : 80
*Pass Marks* : 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অসমীয়া লিপি' গ্ৰন্থখন কাৰ ৰচনা ?

(খ) অসমৰ এটা সংযোগী ভাষাৰ নাম লিখাঁ।

(গ) অসমীয়া গদ্যৰ জনক বুলি কাক কোৱা হয় ?

(ঘ) বামুণীয়া লিপিৰ নিদৰ্শন পোৱা এখন পুথিৰ নাম লিখাঁ।

(ঙ) ‘অৰুণোদই’ কাকত কেতিয়া প্ৰকাশ হৈছিল ?

(চ) ‘চৰ্যাপদ’ কোন ধৰ্মপন্থাৰ ধৰ্মসাধনৰ গীত ?

(ছ) AFD-ৰ সম্পূৰ্ণ নামটো কি ?

(জ) অসমীয়া ভাষাৰ উপাহিত বৰ্ণ এটা উল্লেখ কৰাঁ।

২। (ক) অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰ লিখাঁ। ৭+৮=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ ঔপভাষিক ৰূপৰ বিভাজনৰ আধাৰসমূহ উল্লেখ কৰি এটা নৃগোষ্ঠীয় উপভাষাৰ বিষয়ে আলোচনা কৰাঁ। ১৫

৩। (ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি অসমীয়া ভাষাৰ জন্ম কেনেদৰে হৈছে, ৰেখাচিত্ৰসহ বুজাই লিখাঁ। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ-সম্পৰ্কীয় মতসমূহ আলোচনা কৰি তুমি সমৰ্থন কৰা মতটোৰ সপক্ষে যুক্তি দাঙি ধৰাঁ। ৭+৮=১৫

৪। অসমীয়া ভাষাৰ বিকাশৰ বিভিন্ন স্তৰ-উপস্তৰৰ সময়সীমা আৰু নামকৰণ সম্পৰ্কে উল্লেখ কৰি যি কোনো এটা স্তৰৰ ভাষিক বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৪





৫। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৬×২=১২

(ক) অসমীয়া ভাষাৰ প্ৰচলনৰ ক্ষেত্ৰ

(খ) মধ্যযুগৰ অসমীয়া ভাষাৰ শব্দগত উপাদান

(গ) প্ৰত্ন-অসমীয়া ভাষাৰ অধ্যয়নৰ সমল

৬। (ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৬

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৪×৪=১৬

(১) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(২) কানাই বৰশী বোৱা শিলালিপি

(৩) গড়গঞা লিপি

(৪) ব্ৰাহ্মীলিপি

(৫) গুপ্তলিপি

★★★